# MOS speaks on the India-Africa Forum Summit-IV at the 15th CII-EXIM Bank Digital Conclave on India Africa Project Partnership

September 24, 2020

# এম অ' এছে ভাষণ দিয়ে ভাৰত-আফ্ৰিকা পৰিষদ সন্মিলন-IVত ভাৰত আফ্ৰিকা প্ৰকল্প আংশীদাৰীৰ ওপৰত 15তম চি আই আই-এক্সিম বেংক ডিজিটেল সমাৱেশত

চেপ্তেম্বৰ 24, 2020

শ্ৰী ভি মুৰলিধৰণ, বিদেশ বিষয়ক মন্ত্ৰী, চলন্ত ভাৰত আফ্ৰিকা প্ৰকল্প আংশীদাৰীৰ ওপৰত 15তম চি আই আই-এক্সিম বেংক ডিজিটেল সমাৱেশ আজি নতুন দিল্লীত ভাৰত-আফ্ৰিকা পৰিষদ সমাৱেশৰ এই অধিৱেশনৰ প্ৰমুখ বক্তা আছিল।

এই সমাৱেশৰ আন বক্তাসকল আছিল এইছ ই ডঃ লেমোগেংক্বাপি, বস্তৱানা গণৰাজ্যৰ আন্তঃৰাষ্ট্ৰীয় বিষয় আৰু সহযোগীতা মন্ত্ৰী, এইছ ই ডঃ ৰানিয়া আল মাচাট, আৰব গণৰাজ্য ইজিপ্তৰ আন্তঃৰাষ্ট্ৰীয় সহযোগীতা মন্ত্ৰী, এইছ ই আইচেনহাৱাৰ মকাকা, মালাৱি গণৰাজ্যৰ বিদেশ বিষয়ক মন্ত্ৰী আৰু এইছ ই লেফটেনেন্ট জেনেৰেল ডঃ চিবোচিচো বি মোয়ো, জীমবাবৱে গণৰাজ্যৰ বিদেশ বিষয়ক আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী।

নিজৰ মন্তব্যত, এম অ' এছ শ্ৰী মুৰলীধৰণে আৰম্ভ কৰে ভাৰত-আফ্ৰিকাৰ সম্বন্ধৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰি: ভাৰত হৈছে আফ্ৰিকাৰ এখন সৰ্বাত্মক বাণিজ্য, বিনিয়োগ আৰু বিকাশ আংশীদাৰ আৰু আফ্ৰিকাৰ সামগ্ৰী আৰু উৎপাদনৰ বাবে এক বৃহৎ বজাৰ প্ৰদান কৰে; ভাৰতে আফ্ৰিকা আৰু ইয়াৰ জনগণৰ সৈতে সদায়ে থিয় দিছে আৰু ভৱিষ্যতেও এক প্ৰমুখ বিকাশ আংশীদাৰ ৰূপে থাকিব। ভাৰত-আফ্ৰিকা সন্মীলনখন অনুষ্ঠিত কৰা হৈছিল ভাৰত আৰু আফ্ৰিকাৰ মাজৰ এই দীৰ্ঘস্থায়ী বন্ধুত্ব, পাৰস্পৰিক বুজাবুজি আৰু সমৰ্থনৰ পৰম্পৰাত। তেওঁ সোৱঁৰে আফ্ৰিকাৰ প্ৰতি ভাৰতৰ সেই 10 নিৰ্দেশক নীতি যি 2018 চনত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে উল্লেখ কৰিছিল ওগাণ্ডা সদনত তেওঁৰ ভাষণত।

প্ৰতিমন্ত্ৰীগৰাকীয়ে বিৱৰণ কৰে শেহতীয়া ভাৰত-আফ্ৰিকা পৰিষদ সন্মীলনত লোৱা প্ৰতিশ্ৰুতিসমূহৰ সাৱধানে কৰা ৰূপায়ন, এয়া উল্লেখ কৰি যে 2019 চনত নতুন দিল্লিত আফ্ৰিকান ইউনিয়ন কমিচনৰ সৈতে হোৱা মধ্যস্থ নিৰীক্ষণ বৈঠকত এয়া গ্ৰহণ কৰা হৈছিল আৰু বাণিজ্য আৰু বিনিয়োগ, কৃষি, শক্তি, নীলা আৰু মহাসাগৰ অৰ্থনীতি, আন্তঃগাঁথনি, শিক্ষা আৰু দক্ষতা বিকাশ, স্বাস্থ্য, শান্তি আৰু সুৰক্ষা আৰু বহুমুখী সমৰ্থনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সহায়। এম অ' এছে শেহতীয়া সন্মীলনৰ পিছত ভাৰতে মুকলি কৰা

দুটা গুৰুত্বপূৰ্ণ বহুমুখী পদক্ষেপ উল্লেখ কৰে, ক্ৰমে, আন্তঃৰাষ্ট্ৰীয় চ'লাৰ এলায়েন্স আৰু ক'লিচন ফ'ৰ ডিজেষ্টাৰ ৰেচিলিয়েন্ট ইনফ্ৰাষ্ট্ৰাকচাৰ, দুয়োতে আফ্ৰিকাৰ অংশগ্ৰহণক আদৰণি জনাই। তেওঁ উল্লেখ কৰে যে ভাৰতে বিশ্বব্যাপী ৪5 খন দেশক চিকিৎসা সাহাৰ্য্য প্ৰদান কৰিছে যাৰ ভিতৰত 25 খন আফ্ৰিকান দেশ।

শ্ৰী মুৰলিধৰণে সোঁৱঁৰে যে প্ৰথমখন ভাৰত-আফ্ৰিকা সুৰক্ষা মন্ত্ৰালয়ৰ সমাৰেশ লখনাওত অনুষ্ঠিত হৈছিল ফেবুৰাৰী 2020 চনত য'ত 146 জন প্ৰতিনিধিয়ে ভাগ লৈছিল 33 খন আফ্ৰিকান দেশৰ আৰু যিসকলে গ্ৰহণ কৰিছিল লাখনাও ঘোষণা যি প্ৰশংসা কৰিছিল যে ভাৰত আৰু আফ্ৰিকা এক গুৰুত্বপূৰ্ণ অংশ ইণ্ডো-পেচিফিক ধাৰাবাহিকতাৰ আৰু এয়া যে শান্তি আৰু সুৰক্ষাৰ বাবে আফ্ৰিকাৰ এ ইউ লক্ষ্যৰ সৈতে ভাৰতৰ এছ এ জি এ আৰ-ৰ লক্ষ্য একেই। তেওঁ সামৰণি কৰে এই আশাৰে যে ভাৰত-আফ্ৰিকা পৰিষদ সমাৰেশৰ 4তম সংস্কৰণ অতি সোনকালে অনুষ্ঠিত কৰিব পৰা যাব।

আফ্ৰিকাৰ মন্ত্ৰীসকলে, নিজৰ ভাষ্যত, আফ্ৰিকাৰ বিকাশ প্ৰত্যাশাৰ প্ৰতি ভাৰতৰ উদাৰ সহায় আৰু সমৰ্থনৰ প্ৰশংসা কৰে ভাৰত আৰু আফ্ৰিকাৰ মাজৰ বন্ধুত্ব আৰু জুটিয়া প্ৰত্যাশাৰ ভিত্তিত। বহুতো মন্ত্ৰীয়ে ভাৰতক ধন্যবাদ জ্ঞাপন কৰে বিনা-মাচুল বিনা-খণ্ডকৈ ভাৰতৰ বজাৰ মুকলি কৰি দিয়াৰ বাবে আফ্ৰিকাৰ নিম্নতম বিকাশিত দেশসমূহৰ (এল ডি চি) বাবে যোৱা বহুতো বছৰৰ পৰা। কিছুমানে নিৰ্দিষ্ট উল্লেখ কৰে তেওঁলোকৰ সৰু আৰু মধ্যম উদ্যোগ খণ্ডৰ প্ৰতি দিয়া ভাৰতৰ সমৰ্থনৰ, ভাৰতক "এক অপৰিহাৰ্য আংশীদাৰ" হিচাপে বৰ্ণনা কৰি। সকলো মন্ত্ৰীয়ে উমাল ভাষাৰে কয় আফ্ৰিকাৰ দেশসমূহলৈ দিয়া ভাৰতৰ ৰেহাই মূল্যত দিয়া ঋণৰ বিষয়ে, বিশেষকৈ যোৱা ৫ বছৰত, এয়া লক্ষ্য কৰি যে এই ঋণবোৰ আৰু বজাৰৰ দুৱাৰ মুকলিৰ কৰাৰ বাবে আফ্ৰিকাৰ অৰ্থনীতি সমৰ্থন কৰা হৈছে। এয়াও উল্লেখ কৰা হয় কিদৰে ভাৰতে "আফ্ৰিকাক সহায় কৰিছে ডিজিটেল বিভাজন ৰোধ কৰাত" বিশেষকৈ টেলি-শিক্ষা আৰু টেলি-ঔষধ সেৱাৰ ক্ষেত্ৰত যি ভাৰতে আফ্ৰিকা মহাদেশত উপলব্ধ কৰিছে। মন্ত্ৰীসকলে আফ্ৰিকা মহাদেশ মুকলি বাণিজ্য চুক্তি ৰূপায়ণক প্ৰশংসা কৰে এই আশাৰে যে ভাৰত-আফ্ৰিকা পৰিষদ সন্মীলন-IV আফ্ৰিকাৰ আলোচ্যসূচী 2063ৰ ধনাত্মক ফল দেখা পোৱা যাব।

ইয়াৰ পিছৰ চমু অলোচনাত, মন্ত্ৰীসকলে মান্তি হয় যে ভাৰত-আফ্ৰিকাৰ আংশীদাৰী শক্তিশালী কৰাৰ প্ৰয়োজন মহামাৰীৰ প্ৰভাৱক ৰোধ কৰাৰ বাবে। বিদেশ বিষয়ক মন্ত্ৰিগৰাকীয়ে আন মন্ত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰে এই সমাৰেশত অংশগ্ৰহণ কৰাৰ বাবে।

নতুন দিল্লী
চেপ্তেম্বৰ 24, 2020

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.